42N (ASN)

[19-HRPGKOW-M1S(N) 20M]

MA 1st Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S1–03]

(অসমীয়া নাটক)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) 'মহতা' শব্দৰ অৰ্থ কি ?

(ii) 'ৰুক্মিণী হৰণ' নাটৰ কথাবস্তু ক'ব পৰা সংগ্ৰহ কৰা হৈছে ?

(iii) বিল্বমঙ্গল কোন ?

(iv) দৈত্যাৰি ঠাকুৰৰ 'স্যমন্ত হৰণ' নাটকৰ আৰম্ভ কেনেধৰণে হৈছে ?

(v) দ্বিজ মহীন্দ্ৰই ৰচনা কৰা 'বোধাদয়' নাটখনিৰ বিষয়বস্তু কি ?

(vi) আধুনিক অসমীয়া নাটকৰ ধাৰা কোনখন নাটকৰ যোগেদি আৰম্ভ হয় ?

(vii) জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত সৰ্বমুঠ সংৰক্ষিত গীতৰ সংখ্যা কিমান ?

(viii) মায়াব' কোন ?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) 'নৃসিংহ যাত্রা' নাটৰ খলনায়ক হ'ল
1. ষণ্ডামর্ক
2. জয়-বিজয়
3. হিৰণ্যকশিপু
4. চাৰি সিদ্ধ

(ii) তলৰ কোনখন কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ ৰচিত নাটক ?
1. 'সেউতী-কিৰণ'
2. 'গৃহলক্ষ্মী'
3. 'চাণক্য'
4. 'উমা'

(iii) 'নৰকাসুৰ' নাটকৰ মূল সৌন্দৰ্য প্ৰকাশ পাইছে ____ মাজেদি।
1. কাহিনীৰ
2. চৰিত্ৰৰ
3. সংলাপৰ
4. পৰিবেশৰ

(iv) তলৰ কোনখন জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত নাটক নহয় ?
1. 'লভিতা'
2. 'খনিকৰ'
3. 'আহাৰ'
4. 'কণকলতা'

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) 'অৰ্জুন-ভঞ্জন' নাটৰ কাহিনীভাগৰ মূল ____ ।

(ii) গুণাভিৰাম বৰুৱাৰ প্ৰথম সাহিত্যকৰ্ম আছিল ____।

(iii) জ্যোতিপ্ৰসাদ আছিল স্বৰূপতে ____ ।

(iv) এবছার্ড নাটকৰ সংলাপসমূহ প্ৰায়েই ____।

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'অঙ্কীয়া' নাটত প্ৰয়োগ কৰা গীতসমূহ কেইপ্ৰকাৰৰ আৰু কি কি ?

(b) শঙ্কৰোত্তৰ যুগৰ নাটৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

(c) অসমীয়া লঘু সামাজিক নাটকৰ বিষয়ে এটি টোকা লিখক।

(d) মহাকাব্যিক নাটক বুলিলে কি বুজে ?

(e) 'মহাৰাজা' নাটকত অমৃত নাৰায়ণ চৰিত্ৰটোৰ প্ৰয়োজনীয়তা আছেনে ? যুক্তিৰে আলোচনা কৰক।

(f) 'এজাক জোনাকীৰ জিলমিল' নাটকৰ দৃশ্যত বৰ্ণিত ঘটনা-প্ৰৱাহৰ সময়ৰ দিশটোৰ বিষয়ে আলোচনা কৰক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'অঙ্কীয়া' নাটৰ ভাষা সম্পৰ্কে আলোচনা কৰক।

(b) 'ৰুক্মিণী হৰণ' নাটৰ বেদনিধি চৰিত্ৰটো বিশ্লেষণ কৰক।

(c) আধুনিক অসমীয়া নাটকত প্ৰয়োগ হোৱা ন-ন দিশসমূহৰ বিষয়ে লিখক।

(d) 'নৰকাসুৰ' নাটকত পৌৰাণিক নাটকৰ বৈশিষ্ট্যসমূহ কিদৰে প্ৰতিফলিত হৈছে ?

(e) 'ৰূপালীম' নাটকৰ সংলাপ সম্পৰ্কে চমুকৈ লিখক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'অঙ্কীয়া' নাটৰ সৈতে মধ্যযুগীয় ভাৰতৰ অন্যান্য নাট্য পৰম্পৰাৰ সাদৃশ্য কেনেদৰে ফুটি উঠিছে? বিশ্লেষণ কৰক।

(b) 'অৰ্জুন-ভঞ্জন'ৰ কাহিনীভাগ নাট্যকাৰে তিনিটা স্তৰৰ মাজেৰে আগবঢ়াই নিছে—এই তিনিটা স্তৰ কি কি? বিশ্লেষণ কৰক।

(c) 'নৃসিংহ যাত্ৰা' নাটখনত প্ৰতিফলিত হোৱা ভগৱান আৰু ভক্তৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।

(d) 'ৰাম-নৱমী' নাটকখনক সাৰ্থক ট্ৰেজেডি আখ্যা দিব পাৰিনে? বহলাই আলোচনা কৰক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'ৰূপালীম' নাটকৰ চৰিত্ৰসমূহ উল্লেখ কৰি নাট্যকাৰে কিদৰে নাটকত চৰিত্ৰৰ বিচিত্ৰতা তুলি ধৰিবলৈ প্ৰয়াস কৰিছে সেই বিষয়ে বিচাৰ কৰক।

(b) এবছাৰ্ড নাটক কাক বোলে? এখন সাৰ্থক এবছাৰ্ড নাটকৰূপে 'আহাৰ' নাটকখনৰ আলোচনা কৰক।

(c) 'মহাৰাজা' শব্দটোৰ তাৎপৰ্য কি? লোককলাৰ সমল প্ৰয়োগেৰে ৰচিত নাটকৰূপে 'মহাৰাজা' নাটকখন আলোচনা কৰক।

(d) 'এজাক জোনাকীৰ জিলমিল' নাটকৰ চৰিত্ৰ আৰু সংলাপ ৰচনাত নাট্যকাৰে সাৰ্থকতা লাভ কৰিছে বুলি আপুনি ভাবেনে? যুক্তিসহ বিশ্লেষণ আগবঢ়াওক।

★★★